# লোক-সাহিত্য

লোক-সাহিত্য লোক-মনোধৰ্মী। লোক-মানসত প্ৰতিফলিত হয় লোক-জীৱনৰ আৱেগ, অনুভূতি, অভিজ্ঞতা। মানুহৰ সামূহিক আৱেগে সাহিত্যিক ৰূপ পৰিগ্ৰহণ কৰে স্বভাৱ কবিৰ কবিতাত, বুঢ়ী আইৰ সাধুত, বিহুৱাৰ বিহুনামত, আয়তীৰ বিয়ানামত। লোক-সাহিত্যত সময়ৰ সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই, গতিহীনতাৰ ধৰ্ম নাই। লোক-সাহিত্যৰ অন্যতম বাহন মুখ। যুগৰ সীমা চেৰাই লোক-সাহিত্য মানুহৰ মুখে মুখে চলি আহিছে। এইদৰে আহোতে সময়ৰ আঁচোৰ লাগিছে, শব্দৰ পলস পৰিছে, কল্পনাৰ ৰহণ লাগিছে। বোৱঁতী নৈৰ গতি, লোক-সাহিত্যৰ ধৰ্ম, কিন্তু অতীতৰ আদিম সত্যৰ জঁকাটো চিৰস্থায়ী।

সাহিত্যৰ ভেঁটি মানৱ-জীৱনৰ অভিজ্ঞতা। লোক-সাহিত্যৰ অন্তৰালতো মানৱ জীৱনৰ যুগ যুগ সঞ্চিত অভিজ্ঞতা থূপ খাই আছে। বিশেষকৈ যোজনা-পটন্তৰসমূহত আদিম জীৱনৰ প্ৰত্যক্ষ জ্ঞানৰ উমান পোৱা যায়। গীতসমূহত সৰল সাঙ্গীতিক লয়ৰ লগতে লোক-অনুভূতিৰ আৱেগিক অভিব্যক্তি দেখা যায়। কৃষিজীৱী পুৰুষ এজনে শইচ-তলীৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা কৈ থৈ গ'ল অনেক কথা, অনেক সু-বচন, কেৱল সেয়ে নহয়, জাগতিক জীৱনৰ প্ৰতিটো আৱশ্যকীয় বিষয়ৰ প্ৰতি স্বভাৱ কবিয়ে চকু দিছিল। সেয়েহে জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, খেতি-বাতি, বেহা-বেপাৰ সকলোৰে কথা লোক-সাহিত্যত পোৱা যায়।

লোক-সাহিত্য লোক-বিশ্বাসৰ প্ৰতিচ্ছবি। লোক-জীৱনৰ পৰম্পৰা আৰু অভিজ্ঞতাই লোক-বিশ্বাস সৃষ্টি কৰে। লোক-বিশ্বাসে যুক্তি-তৰ্ক স্বীকাৰ নকৰে; কিন্তু পৰম্পৰা স্বীকাৰ কৰে। ভেকুলীৰ লগত ইন্দ্ৰ দেৱতাৰ সম্পৰ্ক কেনেকৈ হ'ল, এই প্ৰশ্নটোৰ যথাৰ্থ উত্তৰ পোৱাৰ আগতে লোক-বিশ্বাসে এইটো কয় যে, ভেকুলী বিয়াৰ নাম গালেই বৰষুণ দিয়ে। ই এক পৰম্পৰা জড়িত লোক-বিশ্বাস। এনে লোক-বিশ্বাসৰ ফলতেই ভেকুলী বিয়াৰ নাম, অপেচৰা সবাহৰ নাম, আইনাম, মহো-হো গীত আদিৰ জন্ম হৈছে। এইবিধ লোক-সাহিত্যৰ বুকুত লোক-জীৱনৰ মনস্তাত্ত্বিক দিশটো দেখিবলৈ পোৱা যায়।

মানুহৰ জীৱনৰ চৰম লক্ষ্য আনন্দ লাভ। জীৱনৰ যি কোনো বতৰতে মানুহে আনন্দ বিচাৰে। আনন্দৰ পাৰ বাগৰি গ'লে মানুহৰ মনতো আৱেগৰ জোৱাৰ উঠে। তেতিয়া কথাবোৰ কবিতা হয়, কবিতাবোৰ মৌ-সনা গীত হয়। নিতান্ত সৰল জীৱনৰ স্বচ্ছ-সৰল ছবিবোৰ ফুটি উঠে। এইদৰেই বিহু আৰু বিয়াৰ গীতবোৰৰ জন্ম হয়। লোক-সাহিত্যৰ আটাইতকৈ চিত্ৰধৰ্মী আৰু সুৰধৰ্মী অংশটো বিয়ানাম আৰু বিহুনামত পোৱা

যায়। এই গীতিধৰ্মী ৰচনাসমূহ মৌখিকভাৱে দিন চলি আহোতে অনেক যোগ-বিয়োগ হৈছে; কিন্তু স্বাভাৱিক ৰূপটোৰ কোনো বিকৃতি ঘটা নাই।

লোক-সাহিত্যৰ এটা প্ৰধান লক্ষণ হৈছে নৈৰ্ব্যক্তিকতা। লোক-সাহিত্যৰ মাণিকী-মধুৰী জহাৰে যিকোনো সাহিত্যৰ ভঁৰালেই মেট্‌মৰা হৈ উঠিব পাৰে; কিন্তু ক'তো লেখক বা ৰচকৰ নামোল্লেখ নাই। সামূহিক জীৱনৰ আৱেগৰ অভিব্যক্তি হিচাপে এইবোৰেই ব্যক্তিজীৱনৰ অনুভূতি স্বীকৃত হয়। বিশেষকৈ মনোধৰ্মী বিহুনাম আৰু বন-ঘোষাবোৰ কোনো এক যৌৱন-উতলা ডেকা বা গাভৰুৰ মনৰ কথা হ'লেও যুগ নিৰপেক্ষভাৱে সেইদৰে প্ৰণয়ে-পৰশা অন্তৰৰ, পিৰীতিয়ে গৰকা জীৱনৰ অভিব্যক্তি বুলি আটায়ে স্বীকাৰ কৰি লয়। এইদৰে বেলাড বা মালিতাসমূহৰ মূল জুমুঠিটো পোনতে কোনোবা এজন স্বভাৱ কবিয়ে তৈয়াৰ কৰিলেও বিভিন্ন যুগৰ বিভিন্ন গায়কৰ মুখত পৰি নানান ধৰণে যোগ-বিয়োগ হয়, কিন্তু ইয়াৰ নৈৰ্ব্যক্তিকধৰ্মিতা বিকৃত নহয়। লোক-সাহিত্যৰ এই গুণটো থকাৰ বাবেই ইয়াৰ জনপ্ৰিয়তা অধিক আৰু যুগৰ গৰাখহনীয়া আৰু পলসৰ চাপৰিয়েও ইয়াৰ স্বৰূপ হানি কৰিব পৰা নাই।

লোক-সাহিত্যৰ আন এটা প্ৰধান লক্ষণ হৈছে সৰলতা। ভাবৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা গীতি-সাহিত্যৰ মূল বস্তু। লোক-সাহিত্য জনসাধাৰণৰ সম্পদ। নিৰক্ষৰ চহা মানুহৰ মনৰ কথাৰে তেওঁবিলাকক লৈয়ে ৰচনা কৰা হয় এই সাহিত্য। সেইবাবেই ইয়াত জটিলতাৰ সাঁচ নাই। বিষয়বস্তু অনুযায়ী ভাষাই গঢ় লয়। গতিকে লোক-সাহিত্যৰ বিষয়বস্তু সকলোৰে চুব আৰু গাব পৰা। সেইদৰে ইয়াৰ ৰচনাভঙ্গীও স্বাভাৱিকতে সৰল।

সৃজনীমূলক সাহিত্য স্বাভাৱিকতে মনোধৰ্মী। লোক-সাহিত্যৰো সৃষ্টিধৰ্মী অংশটোত আদিম জন-সমাজৰ মানসিক জগতখনৰ স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। বিশেষকৈ সাধুকথা আৰু গীতখিনিত ইয়াৰ প্ৰাচুৰ্য অধিক। বিহুনাম আৰু বন-ঘোষাৰ অনেক অংশ উৎকৃষ্ট ব্যক্তিনিষ্ঠ সাহিত্যৰ ভিতৰত পৰিব। বেলাডজাতীয় গীতখিনি অৱশ্যে বস্তুনিষ্ঠ সাহিত্যৰ অন্তৰ্ভুক্ত হয়। কিন্তু উভয় শ্ৰেণীৰ গীততেই অনেক মনস্তাত্ত্বিক সত্যৰ চানেকি দেখিবলৈ পোৱা যায়।

লোক-সাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী। বুৰঞ্জীৰ পাতত অনেক সময়ত ৰজা-মহাৰজাৰ প্ৰবল-প্ৰতাপৰ বিৱৰণীহে থাকে, সামাজিক জীৱনৰ বিষয়ে একো কথা পোৱা নেযায়। কিন্তু লোক-সাহিত্যৰ অন্তৰ্গত বিশ্লেষণ আৰম্ভ কৰিলে সামাজিক জীৱনৰ অন্ধবিশ্বাস, লোকবিশ্বাস, ৰীতি-নীতি, ধৰ্ম, মানসিক পৰিসৰৰ বিষয়ে বঢ়িয়াকৈ জানিব পাৰি। আধুনিক যুগৰ শিক্ষাই আমাক লোক-সাহিত্যৰ প্ৰতি চৰ্চা বিমুখ কৰি তোলাৰ অনেক সম্পদ হেৰুৱাবলৈ আৰম্ভ কৰিছো; কিন্তু এটা জাতিৰ সামাজিক জীৱন বুৰঞ্জী লিখিবলৈ আটাইতকৈ ডাঙৰ আহিলা হৈছে লোক-সাহিত্য।

লোক-সাহিত্যৰ ৰচনা কালৰ সময়-সীমা বান্ধি নিৰ্ণয় কৰা টান। মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলীতেই লোক-সাহিত্যৰো জন্ম হয়। কিন্তু মৌখিক ৰূপত মুখ বাগৰি অহাৰ বাবে ইয়াত যুগৰ সাঁচ বহিছে। অনেক সময়ত বুৰঞ্জীৰ ঘটনাৰো প্ৰভাৱ পৰে। লোক-গীতবোৰ সামূহিক আবেগৰ উমৈহতীয়া সৃষ্টি হোৱা বাবেই বহুতো সময়ত ইয়াৰ ৰচনা কাল ঠাৱৰ কৰিবলৈ টান হয়। দ্বিতীয়তে, লোক-সাহিত্যৰ লক্ষণ নৈৰ্ব্যক্তিকতায়ো ৰচনা-কাল ঢাকি ৰখাত সহায় কৰিছে। বুৰঞ্জীমূলক বেলাড্ গোটাচেৰেক আৰু ঐতিহাসিক তথ্য সংশ্লিষ্ট গোটাচেৰেক গীতৰ ৰচনাকাল সম্পৰ্কে দুআষাৰ ক'ব পাৰি; কিন্তু অধিকাংশ গীতৰেই ৰচনাকাল নিৰ্ণয় কৰা টান।

লোক-সাহিত্যৰ আৰু এটা লক্ষণ হৈছে বিশ্বজনীনতা। সকলো গীতে বা সাহিত্যৰ অন্যান্য অংশত এই লক্ষণটো আৰোপ কৰিব নোৱাৰিলেও বহুতো প্ৰবচন, সাধুকথা আৰু লোক-বিশ্বাসত আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়। সাধাৰণ মানুহৰ আৱেগ, অনুভূতি আৰু উচ্ছ্বাস একে হোৱাৰ বাবেই সাধাৰণ মানৱীয় অনুভূতিৰ গহনা লৈ ৰচনা কৰা সাহিত্যসমূহৰ মাজত স্বাভাৱিক মিল দেখা যায়। মানুহৰ সভ্যতাৰ প্ৰথম দিনপঞ্জী আৰম্ভ হোৱাৰে পৰা প্ৰব্ৰজন, পৰিভ্ৰমণ আদিৰ যোগেদি মানসিক জগতখনৰ আদান-প্ৰদানো আৰম্ভ হৈছে। সেইবাবেই এই আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়।

লোক-সাহিত্য কোনো অলঙ্কাৰ শাস্ত্ৰৰ সূত্ৰ অনুসৰণ কৰি ৰচনা কৰা নাই; কিন্তু সেইবুলি কাব্যিক সৌন্দৰ্যৰ পৰশ নপৰাকৈ থকা নাই। ছন্দ, চিত্ৰকল্প, অলঙ্কাৰ আদিত লোক-সাহিত্য চহকী। এখন গাঁৱৰ নিজান পৰিৱেশত এজন স্বভাৱ কবিয়ে যি দেখে, যি উপলব্ধি কৰে তাকেই তেওঁ প্ৰকাশ কৰে। তাকে কৰোঁতে প্ৰাকৃতিক পৰিৱেশটো সজীৱ হৈ উঠে। কেৱল সেয়ে নহয়, গীতি-সাহিত্যত ৰস আৰু অনুভূতিৰ প্ৰাচুৰ্যও দেখা যায়। ❐